**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

১। ২০৩০ চনৰ ভিতৰত অসম বিনিয়োগৰ নতুন ক্ষেত্ৰলৈ ৰূপান্তৰিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। অহা ৫ বছৰত ৰাজ্যৰ স্বাস্থ্য খণ্ডত যুগান্তকাৰী সাধন হ'ব বুলি স্বাস্থ্যমন্ত্ৰী অশোক সিংহলৰ আশা প্ৰকাশ।

৩। চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীৰ বিদ্যালয়ত নিয়মীয়া উপস্থিতি নিশ্চিত কৰাৰ উদ্দেশ্যে বিনামূলীয়া পৰিবহণ **সুৰক্ষা-বাহন** আঁচনি মুকলি। **আৰু**

৫। নগাঁও জিলাৰ নুৰুল আমিন ষ্টেডিয়ামত আজিৰে পৰা আন্তঃবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা।

০০০০০০

২০৩০ চনৰ ভিতৰত অসম বিনিয়োগৰ নতুন ক্ষেত্ৰলৈ ৰূপান্তৰ হ'ব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰিছে। গুৱাহাটীত ইউৰোপীয় সংঘৰ প্ৰতিনিধি আৰু মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিত কালি 'ব্লু ভেলী ক্লাষ্টাৰ' উদ্যম মুকলি কৰাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইউৰোপীয় দেশসমূহত অসমৰ বাবে এখন নতুন বজাৰ মুকলি হ'ব। অসমৰ চাহ, অগৰু, জৈৱিক খাদ্য এতিয়াৰে পৰা ইউৰোপৰ বজাৰত বছৰৰ প্ৰতিমাহে পোৱাটো সহজ হৈ পৰিব। কৃষকসকলক বিশেষ গুৰুত্ব আৰোপেৰে কৰা এই উদ্যমে ৰাজ্যৰ কৃষিজাত আৰু প্ৰাকৃতিক সম্পদক বিশ্ব বজাৰৰ সৈতে সংযোগ কৰাৰ লগতে ইউৰোপীয় অংশীদাৰসকলৰ সৈতে শক্তিশালী মূল্য শৃংখলা গঢ়ি তুলিব বুলিও তেওঁ কয়। ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিয়ে অসমৰ বাবে বিনিয়োগ, ৰপ্তানি আৰু ঔদ্যোগিক বিকাশৰ নতুন দুৱাৰ মুকলি কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

**বাইট (চি এম)**

ইপিনে অহা ১ জুলাইত গুৱাহাটীত জাপানৰ প্ৰধানমন্ত্ৰী ছানাই টাকাইচি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এখন বৈঠকত মিলিত হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সদৰি কৰিছে। এই বৈঠকেও অসমলৈ নতুন আশাৰ বতৰা কঢ়িয়াই আনিব বুলি তেওঁ কয়।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে অসম-ইউৰোপীয় সহযোগিতাত নতুন অধ্যায়ৰ সূচনা কৰি সুগন্ধি, আয়ুষ আৰু খাদ্য প্ৰসংস্কৰণ খণ্ডৰ সুদৃঢ়কৰণৰ উদ্দেশ্যে ইউৰোপীয় সংঘৰ সহযোগিতাত কালি 'ব্লু ভেলী ক্লাষ্টাৰ' উদ্যম মুকলি কৰে। এই উদ্যমৰ অংশ হিচাপে অসম ঔদ্যোগিক উন্নয়ন নিগম আৰু ভাৰতত ইউৰোপীয় ব্যৱসায় সংঘৰ মাজত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰিত হয়।

০০০০০০

অহা ৫ বছৰত ৰাজ্যৰ স্বাস্থ্যখণ্ডত যুগান্তকাৰী পৰিৱৰ্তন সাধন হ’ব বুলি স্বাস্থ্যমন্ত্ৰী অশোক সিংহলে প্ৰকাশ কৰিছে। বিভাগটোৰ পুনৰ দায়িত্ব লাভ কৰা মন্ত্ৰীগৰাকীয়ে বিভাগীয় কাম-কাজ পৰ্যালোচনা কৰাৰ পাছত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে পৰৱৰ্তী ৫ বছৰত ৰাজ্যৰ স্বাস্থ্যখণ্ডত বিস্তৰ ইতিবাচক পৰিৱৰ্তন হ’ব। শীঘ্ৰেই বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় মুকলি কৰাৰ পাছতে বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়ও মুকলি কৰা হ’ব বুলি তেওঁ কয়। অৱশ্যে সৰ্বভাৰতীয় পৰিসংখ্যাতকৈ অসমত কৰ্কট ৰোগীৰ হাৰ বৃদ্ধি পোৱা বিষয়টোক লৈ তেওঁ উদ্বেগ প্ৰকাশ কৰে।

**বাইট (অশোক সিংহল)**

উল্লেখযোগ্য যে নৱগঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ সদ্য দায়িত্বপ্ৰাপ্ত ১২ গৰাকী মন্ত্ৰীয়ে নিজ নিজ বিভাগৰ কাম-কাজ সম্পাদনৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ লগতে অভিভাৱক মন্ত্ৰীসমূহে সংশ্লিষ্ট জিলাসমূহ ভ্ৰমণ কৰিছে।

বিত্ত, বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী তথা গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি গোৱালপাৰাৰ জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা সভাত অংশ লৈ জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ বুজ লয়। তেওঁ জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী তথা জিলাখনৰ চাৰিওগৰাকী বিধায়কৰ সৈতে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে সম্ভাব্য বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে জিলা প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহৰ প্ৰস্তুতিৰ খতিয়ান লয়। তেওঁ পৰিৱেশ আৰু বন বিভাগ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, শিক্ষা, কৃষি, জনস্বাস্থ্য কাৰিকৰীকে ধৰি বিভিন্ন বিভাগৰ কাম-কাজ পৰ্যালোচনা কৰে। ইয়াৰ লগতে অভিভাৱক মন্ত্ৰীৰ বাবে গোৱালপাৰাত অসম অসামৰিক সেৱা পৰ্যায়ৰ এগৰাকী বিষয়া-নিযুক্তি দিবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে।

০০০০০০

চাহ বাগিচা অঞ্চলৰ প্ৰতিগৰাকী শিশু তথা শিক্ষাৰ্থীৰ বিদ্যালয়ত উপস্থিতি নিৰাপদ আৰু নিয়মীয়া কৰাৰ উদ্দেশ্যে আজিৰে পৰা অহা বছৰ ৩১ মাৰ্চলৈ বিনামুলীয়া পৰিবহন সুৰক্ষা বাহন সুবিধা আঁচনি মুকলি কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে এই আঁচনিয়ে হাজাৰ হাজাৰ শিক্ষাৰ্থী বিদ্যালয়মুখী যাত্ৰা অধিক সুৰক্ষিত, সহজ আৰু সুলভ কৰি তুলিব। ৰাজ্যত ইতিমধ্যে ৰূপায়ণ হৈ থকা পদক্ষেপসমূহৰ লগতে এই ব্যৱস্থাই চাহ বাগিছা অঞ্চলৰ সন্তানসকলৰ শিক্ষা জীৱন অধিক সুদৃঢ় কৰিব। ৰাজ্যৰ প্ৰতিগৰাকী বিদ্যাৰ্থীৰ বাবে শিক্ষাৰ সমান সুযোগ নিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যখনৰ বনাঞ্চল সুৰক্ষাৰ স্বাৰ্থত চাৰিখন সংৰক্ষিত বনাঞ্চলত উচ্ছেদৰ চৰকাৰী সিদ্ধান্তৰ সপক্ষে ৰায় দিছে। নগাঁও জিলাৰ লুটুমাই, যমুনাৰ মৌদংগা, নামবৰ দক্ষিণ আৰু বৰপানী সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলোৱাৰ বাবে ন্যায়ালয়ে সেউজ সংকেত দিছে। এই উচ্ছেদৰ জাননীৰ প্ৰত্যাহ্বান জনাই ৪ শতাধিক আবেদনকাৰীয়ে দাখিল কৰা সকলো আবেদন উচ্চ ন্যায়ালয়ে খাৰিজ কৰে। এই অনুসৰি বন বিভাগে চলিত বছৰৰ ৭ মাৰ্চত জাৰি কৰা জাননীৰ আধাৰত বনাঞ্চলখনৰ ভূমি অবৈধভাৱে দখল কৰি থকা লোকসকলৰ বিৰুদ্ধে উচ্ছেদ চলাব পাৰিব। উচ্চ ন্যায়ালয়ে ৩০ দিনৰ ভিতৰত দখলকাৰীয়ে এই অঞ্চলসমূহ খালী নকৰিলে চৰকাৰে উচ্ছেদ চলাব পাৰিব বুলি উল্লেখ কৰিছে। উল্লেখযোগ্য যে আবেদনকাৰীসকলে

কেইবাদশক ধৰি বনভূমিত বসবাস কৰি অহাৰ লগতে জীৱিকা আৰু সামাজিক সুৰক্ষাৰ বিষয়টো উল্লেখ কৰিছিল। ইয়াৰ বিপৰীতে গোচৰসমূহৰ শুনানিত চৰকাৰৰ ফালৰ পৰা পূৰ্বে উচ্চতম ন্যায়ালয়ত দাখিল কৰা প্ৰতিবেদনত ৰাজ্যৰ মুঠ বনাঞ্চলৰ ১৯ দশমিক ৯—২ শতাংশ দখলকাৰীৰ কৱলত থকা বুলি তথ্য দিয়া হৈছিল। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দেৱাশীষ বৰাৰ বিচাৰপীঠে সোমবাৰে দিয়া ৰায়ত আবেদনকাৰীসকলে  কোনো বৈধ আবণ্টনপত্ৰ বা ভূমি নিস্পত্তি অবিহনে সংৰক্ষিত বনাঞ্চলৰ ভূমি দখল কৰি থকা হেতুকে তেওঁলোকক অবৈধ দখলকাৰী হিচাপে গণ্য কৰা হ'ব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ বন বিভাগে এই বনাঞ্চলসমূহৰ অবৈধ দখলকাৰীলৈ ৭ মাৰ্চত ১৫ দিনৰ ভিতৰত সেই স্থান খালী কৰিবলৈ জাননী জাৰি কৰিছে।

০০০০০০

ধুবুৰীৰ পকছ' আদালতে কালি নাবালিকা অপহৰণ আৰু যৌন নিৰ্যাতনৰ গোচৰত এজন অপৰাধীক ১০ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহে। ধুবুৰীৰ অতিৰিক্ত জিলা আৰু ছেছন ন্যায়াধীশ তথা বিশেষ পকছ' আদালতৰ ন্যায়াধীশ আলহাজ ছাবিনা মজুমদাৰে এই ৰায় দিয়ে। উল্লেখযোগ্য যে জিলাখনৰ আগমনি থানাৰ অন্তৰ্গত খেৰবাৰী গাঁৱৰ দয়াল শীল ওৰফে ৰাহুল নামৰ যুৱকজনে ২০২৪ চনত এই কাৰ্য সংঘটিত কৰিছিল।

০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে আজি পুনৰ ৫ জন লোকৰ সাক্ষ্য গ্ৰহণৰ ব্যৱস্থা কৰিছে। সাক্ষীসকল ইতিমধ্যে আহি আদালত চৌহদত উপস্থিত হৈছে। সময়ৰ অভাৱৰ বাবে কালি সাক্ষ্য প্ৰদান কৰিব নোৱৰা বেবী বৰাই আজি ফাষ্টট্ৰেক আদালতত পুৱাৰ ভাগত সাক্ষ্য দিয়ে। চৰকাৰী পক্ষৰ সাক্ষী হিচাপে বিৰিঞ্চি বৰা, প্ৰভাকৰ ফুকন, অনুজ কুমাৰ বৈশ্য আৰু ৰাজা অসমে আজি সাক্ষ্য প্ৰদান কৰিব।

ফাষ্টট্ৰেক আদালতে কালি দুগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰে। আদালতে ৫ গৰাকী সাক্ষীৰ সাক্ষ্যৰ বাবে নিৰ্দিষ্ট কৰিছিল যদিও সময়ৰ অভাৱৰ বাবে তিনিগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰিব পৰা নগ'ল। উল্লেখযোগ্য যে সোমবাৰৰ ফাষ্টট্ৰেক আদালতত গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে। এই গোচৰত সাক্ষী হিচাপে মুঠ ৩৯৪ গৰাকী লোকৰ নাম অন্তৰ্ভুক্ত হৈছে।

ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদন সন্দৰ্ভত ১৯ জুনৰ ভিতৰত কেচ ডায়েৰী দাখিল কৰিবলৈ নিৰ্দেশ দিছে। অভিযুক্তৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰি কালি ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে কেচ ডায়েৰীৰ লগতে নিম্ন আদালতৰ গোচৰটো সম্পৰ্কীয় নথি-পত্ৰ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

যোৱা কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত মেঘালয়ৰ তানচেন এলেকাত হোৱা ভূমিস্খলনৰ বাবে বৰাক উপত্যকা-গুৱাহাটী সংযোগী পথেৰে যান-বাহনৰ চলাচল ব্যাহত হৈছে। ভূমিস্খলনৰ ফলত যাত্ৰীবাহী আৰু সামগ্ৰী পৰিবাহী বাহনৰ চলাচল প্ৰভাৱিত হৈছে। কৰ্তৃপক্ষসমূহে পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু পথছোৱাৰে পৰিবহন সেৱা পুনৰ স্বাভাৱিক কৰি তোলাৰ বাবে পথৰ পৰা ধ্বংসস্তুপ আঁতৰোৱাৰ প্ৰচেষ্টা অব্যাহত আছে।

০০০০০০

নগাঁৱৰ নিলাক্ষী শইকীয়াই অলপতে সম্পন্ন কাজিৰঙা ৰাইনো কাপ পেচাদাৰী বক্সিং লীগ প্ৰতিযোগিতাৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত ৰাষ্ট্ৰীয় ৰেফাৰী পৰীক্ষাত উত্তীৰ্ণ হৈ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। নিলাক্ষীয়ে নগাওঁ জিলাৰ প্ৰথমগৰাকী ৰাষ্ট্ৰীয় মহিলা বক্সিং ৰেফাৰী হিচাপে স্বীকৃতি লাভ কৰিছে।

০০০০০০

নগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজিৰে পৰা আন্তঃবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজি প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাত ১৬ খন বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

আজাৰা তালুকৰ প্ৰাক্তন সম্পাদক, আজাৰা উন্নয়নৰ মঞ্চৰ প্ৰতিষ্ঠাপক, সম্পাদক প্ৰশান্ত মহন্তৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬১ বছৰ। সৰবৰহী ব্যক্তি মহন্তৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

**সমাপ্ত**